❒ RNI Regn. No- ASSASS/2001/05511

# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❒ গুৱাহাটী-যোৰহাট সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

৪৭৭২৯২ পঞ্চবিংশতিতম বছৰ সংখ্যা ৩০৯ বুধবাৰ ৫ আহিন ১৯৪৮ শক ২৩ ছেপ্টেম্বৰ ২০২৬ চন ASOMIYA KHABAR GUWAHATI WEDNESDAY 23 SEP

Library ... Date



চৰকাৰ... অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু

ক্ষৰ পদ ত্যাগ কৰি মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ

## ৱাৰ মন বান্ধি নাটকীয়ভাৱে

## াগ শিল্পী সীমান্ত শেখৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, খবৰ, ২২ ছেপ্টেম্বৰ ঃ 'আকৌ এবাৰ মোডী চৰকাৰ' — ৰাজ্যত বিগত দুটাকে লোকসভা আৰু বিধানসভা নিৰ্বাচনত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ অন্যতম জনপ্ৰিয় গীতটোত কণ্ঠদান কৰা সীমান্ত শেখৰে এতিয়াৰে পৰা আৰু বিজেপিৰ বাবে গান নাগায়। জনপ্ৰিয় কণ্ঠশিল্পী তথা বিজেপি নেতা ...

শেষাংশ ৬ পৃষ্ঠাত

ড্ৰাগছৰ বিৰুদ্ধে চলিব ভয়াৱহ যুঁজ, ১০ লাখ শিক্ষানুষ্ঠান

## দেশলৈ এক গ্ৰামো ড্ৰাগছ

## নিদিয়াৰ কঠোৰ হুংকাৰ গৃহ ম

অনলাইন ফিচাৰ্ছ ঃ ড্ৰাগছ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীৰ অবৈধ ব্যৱসায় সম্পূৰ্ণৰূপে উৎখাত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে ২০২৯ চনলৈ এক বিস্তৃত পৰিকল্পনা গ্ৰহণ কৰিছে। দেশলৈ এক গ্ৰামো ড্ৰাগছ সোমাবলৈ নিদিয়া আৰু দেশৰ পৰা এক গ্ৰামো ড্ৰাগছ বাহিৰলৈ যাবলৈ নিদিয়াৰ লক্ষ্যৰে প্ৰৱৰ্তন, চোৰাংচোৱা তথ্য, বিত্তীয় অনুসন্ধান, ... আৰু অভিযুক্তৰ



# পদ্মশ্ৰী পখিলা লেকথেপী, তৰাৰতী মিলিক 'আনন্দৰাম ঢেকিয়াল ফুকন' বঁটা প্ৰদান



**আমাৰ খবৰ, নগাঁও, ২২ ছেপ্টেম্বৰ ঃ** মধ্য অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে বিগত বৰ্ষসমূহত আগবঢ়াই অহা 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা' এইবাৰ অসমৰ দুগৰাকী বিশিষ্ট লোকশিল্পী পদ্মশ্ৰী পখিলা লেকথেপী আৰু সংগীত নাটক একাডেমী বঁটা প্ৰাপক তৰাৰতী মিলিক প্ৰদান *শেষাংশ ২ পৃষ্ঠাত*

# পদ্মশ্ৰী পখিলা লেকথেপী, তৰাৱতী মিলিক 'আনন্দৰাম ঢেকিয়াল ফুকন' বঁটা প্ৰদান

কৰে। অসমৰ লোকসংগীত আৰু লোকসংস্কৃতিৰ জগতখনত নিজৰ সুকণ্ঠ, স্বকীয় পৰিৱেশনশৈলী আৰু
সুদীৰ্ঘ সাধনাৰে এক সুকীয়া স্থান অধিকাৰ কৰা এই দুগৰাকী লোকশিল্পী অসমৰ সাংস্কৃতিক ঐতিহ্যৰ নিষ্ঠাৱান
সাধক হিচাপে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। অসমৰ সমৃদ্ধ জনগোষ্ঠীয় ভাষাৰ লোকসংগীতক নিজৰ কণ্ঠ
আৰু জাতীয় দায়বদ্ধতাৰে পোহৰাই তোলাৰ উপৰি এই দুগৰাকী শিল্পীয়ে বহল অৰ্থত অসমীয়া ভাষা আৰু
লোক পৰিৱেশ্য কলাকো সমৃদ্ধ কৰি আহিছে। উল্লিখিত দুয়োগৰাকী বৰেণ্য শিল্পীক আজি এক গাম্ভীৰ্যপূৰ্ণ
পৰিৱেশত মহাবিদ্যালয়খনৰ স্থায়ী প্ৰেক্ষাগৃহত চলিত বৰ্ষৰ 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা' প্ৰদান কৰে
অনুষ্ঠানত মুখ্য আতিথিৰূপে অংশগ্ৰহণ কৰা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। এই বঁটাৰ বাবদ দুয়োগৰাকী
শিল্পীক গামোচা, চেলেং, শৰাই, স্মাৰক, অভিনন্দনপত্ৰ, গ্ৰন্থৰ টোপোলা, নগদ ধন আদি প্ৰদান কৰা হয়। বঁটা
প্ৰদান কৰি দিয়া ভাষণত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় ঃ লোকসংগীতসমূহ হৈছে এনে সংগীত যি মাটি
আৰু প্ৰকৃতিৰ লগত আমাক সংযোগ কৰি ৰাখিব পাৰে। এই লোকসংগীতসমূহৰ শব্দৰ অৰ্থ বুজি নাপালেও
এই সংগীতৰ সুৰে সকলোৰে হৃদয়ত খুন্দিয়াই যাব পাৰে। উল্লেখ্য যে চলিত বৰ্ষৰ আনন্দৰাম ঢেকিয়াল
ফুকন বঁটা প্ৰাপক দুয়োগৰাকী শিল্পী লোকসংগীতৰ শিল্পী হোৱা হেতুকে অনুষ্ঠানৰ লগত সংগতি ৰাখি
আজি আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম দিৱসৰ দিনটোত এই বৰ্ষৰ 'আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক'
বক্তৃতা প্ৰদান কৰে বিশিষ্ট লোকশিল্পী তথা গৱেষক, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সদানন্দ পায়েঙে। ড°
পায়েঙে গীত-মাতেৰে প্ৰদান কৰা সুমধুৰ বক্তৃতাই উপস্থিত সকলোকে মুগ্ধ কৰে । অধ্যক্ষ ড° পায়েঙে কয়
ঃ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতিত সামান্য পাৰ্থক্য থাকিলেও তেওঁলোকৰ
লোকসংগীতসমূহৰ সুৰৰ আৱেগ একেই, তান একেই । আনহাতে আমাৰ সকলোৰে আত্মপৰিচয় বড়ো
অসমীয়া, মিচিং অসমীয়া, কাৰ্বি অসমীয়া, ডিমাচা অসমীয়া হোৱাটো উচিত বুলিও ড° পায়েঙে মন্তব্য
আগবঢ়ায়। উল্লেখ্য যে ২০১৬ চনৰ পৰা ধাৰাবাহিকভাৱে প্ৰদান কৰি অহা আনন্দৰাম ঢেকিয়াল ফুকন বঁটা
ইতিমধ্যে বিশিষ্ট বিজ্ঞানী বিপ্লৱ শৰ্মা, অভিনেতা বিষ্ণু খাৰঘৰীয়া, সমাজকৰ্মী প্ৰয়াত বীৰুবালা ৰাভা,
ভাষাতত্ত্ববিদ নাহেন্দ্ৰ পাদুন, সাহিত্যিক য়েছে দৰজে ঠংচি, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন
অভিনেতা আদিল হুছেইনলৈ ইতিমধ্যে আগবঢ়োৱা হৈছে। অৱশ্যে কোভিডকালীন জটিল পৰিস্থিতিৰ
সময়ত দুবছৰৰ বাবে এই বঁটা দিব পৰা হোৱা নাছিল। আনহাতে এই বঁটাৰ প্ৰৱৰ্তনৰ আগৰে পৰাই আনন্দৰাম
ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা মহাবিদ্যালয়খনত অনুষ্ঠিত হৈ আহিছে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ
সভাপতি ড° বলীন কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত বঁটা প্ৰাপক দুয়োগৰাকী
লোকসংগীতৰ শিল্পীয়ে কথা আৰু গীতেৰে নিজৰ অনুভৱ ব্যক্ত কৰে । অনুষ্ঠানত নগাঁৱৰ প্ৰায়সংখ্যক
মহাবিদ্যালয়ৰ অধ্যক্ষ, মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাসকলৰ উপৰি
ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামগ্ৰিকভাৱে অনুষ্ঠানটিৰ আঁত ধৰে অধ্যাপক ড° মিলন নেওগে
আৰু আদৰণী ভাষণ প্ৰদান কৰে অধ্যাপক অৰিন্দম বৰকটকীয়ে।

## ঠিকাদাৰক ব্লেকলিষ্টেডৰ দাবী বানপীড়িত